**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-08-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত প্ৰশাসনে কালি তৃতীয়দিনাও শান্তিপূৰ্ণভাৱে উচ্ছেদ অভিযান চলায়। পুৱা ৯ বজাৰ পৰা বন বিভাগ আৰু প্ৰশাসনে অঞ্চলটোৰ ২ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দয়ালপুৰ, ৩ নম্বৰ দলনিপথাৰ, খেৰবাৰী আৰু আনন্দপুৰ গাঁৱত উচ্ছেদ চলায়। এই উচ্ছেদ অভিযানত পাঁচ শতাধিক বাসগৃহ উচ্ছেদ কৰাৰ লগতে বহুসংখ্যক তামোলৰ বাৰী উচ্ছেদ কৰা হয়। উচ্ছেদ অভিযানত যাতে কোনো অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয়, ইয়াৰ বাবে অভিযানকালত বহুসংখ্যক বনকৰ্মী আৰু প্ৰশাসনিক বিষয়া নিয়োগ কৰা হয়। আজি চতুৰ্থ দিনাও বনাঞ্চলখনত প্ৰশাসনে উচ্ছেদ অভিযান চলাব। উচ্ছেদ অভিযানৰ বাবে ইতিমধ্যে ভালেসংখ্যক এক্সকেভেটৰ, বনকৰ্মী আৰু প্ৰশাসনিক বিষয়া নিয়োগ কৰা হৈছে। গোলাঘাট জিলাৰ আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, আৰক্ষী বিষয়া, কাৰ্যবাহী দণ্ডাধীশকে ধৰি অন্যান্য উচ্চপদস্থ বিষয়া আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ দল এই উচ্ছেদ অভিযানস্থলীত উপস্থিত থাকিব।

oooooo

বিশ্বনাথ জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। জিলাখনত ১০ জন লোক জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হোৱাৰ তথ্য জিলা স্বাস্থ্য বিভাগে সদৰি কৰিছে। আক্ৰান্তসকলৰ ভিতৰত ইতিমধ্যে শিশুসহ দুজন লোকৰ মৃত্যু ঘটিছে। বিশ্বনাথ জিলাৰ টেঙাবৰী গাঁৱৰ গিৰিশ বৰা, বালিজুৰিৰ সোণাৰাণী বসুমতাৰী আৰু গড়পালৰ আগমায়া চেত্ৰীৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। জিলাখনত এই ৰোগ নিৰ্মূলৰ বাবে জিলা স্বাস্থ্য বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

oooooo

ৰাজ্যত অব্যাহত থকা অসহ্য গৰমৰ বাবে গ্ৰীষ্ম বন্ধৰ পাছত আজি আৰম্ভ হোৱা বিদ্যালয়ৰ পাঠদান সন্দৰ্ভত সমগ্ৰ শিক্ষা বিভাগে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সৈতে হোৱা বৈঠকৰ পাছত সমগ্ৰ শিক্ষাৰ কামৰূপ মহানগৰ জিলাৰ মিছন সমন্বয়কে এটা নিৰ্দেশনাযোগে জিলাখনৰ বিদ্যালয়সমূহত পাঠদানৰ নতুন সময়সূচী ঘোষণা কৰিছে। নতুন নিৰ্দেশনা অনুসৰি আজি কামৰূপ মহানগৰ জিলাৰ সকলো চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ পাঠদান পুৱা চাৰে ৭ বজাত আৰম্ভ হৈছে। অৱশ্যে বিদ্যালয়ৰ ছুটীৰ ক্ষেত্ৰত শ্ৰেণী অনুসৰি সময়ৰ সলনি হ'ব। নিৰ্দেশনাটোত উল্লেখ কৰা মতে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ছুটী চাৰে ১১ বজাত আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছুটী ১২ বজাত হ'ব। মাধ্যমিক পৰ্যায়ৰ অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ পাঠদান দুপৰীয়া ১ বজা পৰ্যন্ত চলিব। এই শ্ৰেণীসমূহৰ পাঠ্যক্ৰম আগুৱাই নিয়াৰ স্বাৰ্থত বিদ্যালয়ৰ ছুটীৰ সময় চাৰে ১২ বজাৰ পৰিৱৰ্তে ১ বজা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উল্লেখযোগ্য যে প্ৰচণ্ড গৰমৰ বাবে বিদ্যালয়ৰ শিক্ষাৰ্থীসকল যাতে অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰে শিক্ষা

বিভাগক নিৰ্দেশ দিছে। গুৱাহাটী মহানগৰীৰ যান-জঁটৰ বাবে বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সালসলনি কৰাৰ বাবে চৰকাৰে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিতে সমগ্ৰ শিক্ষা বিভাগে নিৰ্দেশনা জাৰি কৰিছে।

নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথে জাৰি কৰা এটা নিৰ্দেশনা অনুযায়ী নগাঁও জিলাতো বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী পৰিৱৰ্তন কৰা হৈছে। পুৱা চাৰে ৭ বজাত পাঠদানৰ সূচী আৰম্ভ কৰি প্ৰাথমিক বিদ্যালয় চাৰে ১১ বজাত, মাধ্যমিক ১২ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত চাৰে ১২ বজাত পাঠদান কাৰ্যসূচীৰ সামৰণি পৰিব বুলি শ্ৰীনাথে জানিবলৈ দিছে।

oooooo

বিশিষ্ট ভাষাবিদ টাবুৰাম টাইডৰ ৮৩ সংখ্যক জন্ম দিৱসৰ সৈতে সংগতি ৰাখি টাবুৰাম টাইড স্মৃতি ন্যাসৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত আজি ধেমাজিৰ গোগামুখত টাবুৰাম টাইড স্মাৰক সংগ্ৰহালয় আৰু পুথিভঁৰাল প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে টাবুৰাম টাইড স্মৃতি ন্যাসৰ সৌজন্যত ২০২৫ বৰ্ষৰ সাহিত্য বঁটাসমূহ প্ৰদান কৰা হ'ব। বিশিষ্ট সাহিত্যক য়েছে দৰজে ঠংছিক ২০২৫ বৰ্ষৰ টাবুৰাম টাইড সাহিত্য বঁটা প্ৰদান কৰা হ'ব। মিচিং ভাষাৰ বিশিষ্ট লেখক ডাঃ বিদ্যেশ্বৰ দলেক টাবুৰাম টাইড মিচিং সাহিত্য বঁটা আৰু জনগোষ্ঠীয় পটভূমিত ৰচনা কৰা **লাঙাদেউ** নামৰ গ্ৰন্থখনৰ বাবে পংকজ কুমাৰ দত্তক উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ সমন্বয় সাহিত্য বঁটা আগবঢ়োৱা হ'ব। পৰৱৰ্তী সময়ত টাবুৰাম টাইড অনুবাদ সাহিত্য বঁটা আৰু টাবুৰাম টাইড ফেল'শ্বিপ প্ৰদান কৰা হ'ব বুলি স্মৃতি ন্যাসৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে ইতিমধ্যে প্ৰকাশ কৰিছে।

oooooo

ডিব্ৰুগড়ৰ গ্ৰেহেম বজাৰ নিবাসী চন্দ্ৰপ্ৰভা ডেকা নামৰ ৮০ বছৰীয়া এগৰাকী মহিলা যোৱা ২৩ জুলাইৰ পৰা সন্ধানহীন হৈ আছে। ডিগবৈ আই অ' চি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা চন্দ্ৰপ্ৰভা ডেকা সন্ধানহীন হোৱা ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে ইতিমধ্যে ডিব্ৰুগড় থানাত এজাহাৰ দাখিল কৰিছে। কোনো লোকে মহিলাগৰাকীৰ সন্ধান পালে ওচৰৰ থানাত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। প্ৰায় চাৰে ৫ ফুট উচ্চতাৰ মহিলাগৰাকীয়ে নীলা বৰণৰ কাপোৰ পৰিধান কৰি আছিল বুলি পৰিয়ালৰ লোকে জনাইছে।

oooooo

নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত জিলা পথ সুৰক্ষা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক কালি জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত পথ সুৰক্ষাৰ ক্ষেত্ৰত ল'বলগীয়া বিভিন্ন পদক্ষেপ আৰু জিলাখনৰ পথ দুৰ্ঘটনা হ্ৰাস কৰাৰ বাবে সম্ভাব্য ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে পথ সুৰক্ষা সম্পৰ্কীয় বৰ্তমান পৰিস্থিতিৰ তথ্য উপস্থাপন কৰাৰ লগতে ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভত মতামত আগবঢ়ায়। জিলা আয়ুক্তগৰাকীয়ে বৈঠকত জিলাখনৰ পথসমূহ সুৰক্ষিত আৰু দুৰ্ঘটনামুক্ত কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

oooooo

সমাপ্ত